**REGIONAL NEWS UNIT**
AKASHVANI :: GUWAHATI
0000000000

**Date : 10-05-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***
***:::::::::::::::::::::::::::::::***

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত আজি কেইবাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই অনুসৰি হাতী-মানুহৰ সংঘাট হোৱা আঠখন জিলা ক্ৰমে গোৱালপাৰা, ওদালগুৰি, নগাঁও, বাক্সা, শোণিতপুৰ, গোলাঘাট, যোৰহাট আৰু বিশ্বনাথত গজমিত্ৰ আঁচনি ৰূপায়ণৰ প্ৰস্তাৱত অনুমোদন জনোৱা হৈছে। এই আঁচনিৰ অধীনত প্ৰভাৱিত গাঁওসমূহত সম্প্ৰদায় ভিত্তিত স্বেচ্ছাসেৱী নিৰীক্ষণ আৰু দ্ৰুত সঁহাৰি দল গঠনৰ প্ৰস্তাৱ দিয়া হৈছে। মন্ত্ৰীসভাই  পহিলা অক্টোবৰৰ পৰা প্ৰযোজ্য হোৱাকৈ গাঁও প্ৰধানসকলৰ দৰমহা বৰ্তমানৰ ৯ হাজাৰ টকাৰ পৰা ১৪ হাজাৰ টকালৈ বৃদ্ধি কৰিছে। বনাঞ্চলৰ গাঁওসমূহৰ গাঁও প্ৰধানসকলেও এই বৰ্ধিত দৰমহা লাভ কৰিব। ২০২৫-২৬ বৰ্ষৰ বাজেটত কৰা ঘোষণা অনুযায়ী এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

মন্ত্ৰীসভাই ৰাজ্যৰ বিভিন্ন সত্ৰত বাস কৰা যোগ্য উদাসীন ভকতসকলক মাহিলী বৃত্তি হিচাপে পোন্ধৰশ টকাৰ বিত্তীয় সাহায্য আগবঢ়াবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছে। অংগনবাড়ী কৰ্মী আৰু সহায়িকাসকলৰ পাৰিতোষিক ক্ৰমে আঠ হাজাৰ আৰু চাৰি হাজাৰ টাকৈল বৃদ্ধিত অনুমোদন দিয়া হৈছে। মন্ত্ৰীসভাই পহিলা নৱেম্বৰৰ পৰা ২০২৬ বৰ্ষত হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া শিক্ষাৰ্থীসকলক প্ৰতি মাহে ৩০০ টাকৈ প্ৰদানৰ উদ্দেশ্যে  প্ৰেৰণা আঁচনি ৰূপায়ণতো অনুমোদন জনাইছে।

ooooo

ৰাজ্য চৰকাৰে চাহ বাগিচা অঞ্চলৰ শিক্ষাৰ্থীসকলৰ সামগ্ৰিক উন্নয়নৰ বাবে অহা বছৰ জানুৱাৰীত আৰু ৮০ খন চাহ বাগিচা আদৰ্শ  বিদ্যালয় মুকলি কৰিব।  গুৱাহাটী চিকিৎসা মহাবিদ্যালয় প্ৰেক্ষাগৃহত আজি চাহ বাগিচা আদৰ্শ বিদ্যালয় আৰু আদৰ্শ বিদ্যালয়ৰ প্ৰধান শিক্ষকসকলৰ সৈতে মত বিনিময় কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে এই বিষয়ে ঘোষণা কৰে। তেওঁ কয়, যে ভৱিষ্যতে এনে আদৰ্শ বিদ্যালয়ৰ সংখ্যা বৃদ্ধি কৰা হ'ব। অন্য সম্প্ৰদায়ৰ শিক্ষাৰ্থীসকলক চাহ বাগিচা আদৰ্শ বিদ্যালয়ত নাম ভৰ্তিৰ বাবে উৎসাহিত কৰা উচিত বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয়, যে এনে কাৰ্যই বিভিন্ন সম্প্ৰদায়ৰ শিক্ষাৰ্থীসকলৰ মাজত সৎভাৱ গঢ়ি তোলাত সহায় কৰিব। দুই এগৰাকী শিক্ষাৰ্থীয়ে আধাতে বিদ্যালয় এৰাৰ ঘটনাৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে ৰাজ্য চৰকাৰে নৱম আৰু দশম শ্ৰেণীৰ শিক্ষাৰ্থীসকলৰ বাবে মধ্যাহ্ন ভোজন প্ৰৱৰ্তন কৰাৰ কথা বিবেচনা কৰি আছে। অনুষ্ঠানত ড০ শৰ্মাই ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ ৫৭ খন আদৰ্শ বিদ্যালয়ৰ কাম-কাজৰ বুজ লয়। তেওঁ কয়, যে চৰকাৰে বি য়েড শিক্ষাৰ্থীসকলৰ বাবে চাহ বাগিচা আদৰ্শ বিদ্যালয়ত এবছৰীয়া বাধ্যতামূলক প্ৰশিক্ষণৰ ব্যৱস্থাক আনুষ্ঠানিক ৰূপ প্ৰদানৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব। তেওঁ লগতে চৰকাৰে সীমাৰ দেৱাল নথকা বিদ্যালয়সমূহত এনে দেৱাল নিৰ্মাণ কৰিব বুলি ঘোষণা কৰে। চৰকাৰে শিক্ষাৰ্থীসকলৰ উপস্থিতি নিশ্চিত কৰাৰ উদ্দেশ্যে ষষ্ঠ শ্ৰেণীৰ পৰা উৰ্ধৰ শিক্ষাৰ্থীসকলক বাইচাইকেল প্ৰদান কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। বৈঠকত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু আৰু চাহ জনগোষ্ঠী আৰু আদিবাসী কল্যাণ বিভাগৰ মন্ত্ৰী ৰূপেশ গোৱালা উপস্থিত থাকে।

ooooo

প্ৰকৃত উন্নয়নে আন্তঃগাঁথনিগত প্ৰগতিকে নহয়, বৰং ঐতিহ্যৰ সংৰক্ষণ আৰু প্ৰসাৰকো সূচায় বুলি ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই প্ৰকাশ কৰিছে। কাৰ্বি আংলং জিলা ভ্ৰমণকালত আজি পদ্মশ্ৰী সন্মানপ্ৰাপক, আগশাৰীৰ খেলুৱৈ, সমাজকৰ্মী আৰু স্বাধীনতা সংগ্ৰামীসকলৰ সৈতে হোৱা মত বিনিময়ত ৰাজ্যপালগৰাকীয়ে এইদৰে মন্তব্য কৰে। তেওঁ কয়, যে উন্নয়নৰ সৈতে

পৰম্পৰা, ভাষা আৰু সংস্কৃতিক বৰ্তাই ৰাখিলেহে প্ৰকৃত আৰু অৰ্থবহ প্ৰগতি সম্ভৱপৰ হৈ উঠে। পাছত ৰাজ্যপালগৰাকীয়ে কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য ড০ তুলিৰাম ৰংহাং, কাৰ্যবাহী সদস্য আৰু পৰিষদৰ মুখ্য অংশীদাৰসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। বৈঠকত ৰাজ্যপালগৰাকীয়ে তেওঁলোকক অঞ্চলটোৰ জনসাধাৰণৰ কল্যাণৰ বাবে নিষ্ঠাৰে কাম কৰিবলৈ আহ্বান জনায়। ন ন প্ৰত্যাহ্বান দূৰ কৰাৰ বাবে সমূহীয়া প্ৰচেষ্টাত গুৰুত্ব আৰোপৰ আৱশ্যকতাৰ বিষয়ে উল্লেখ কৰি শ্ৰী আচাৰ্য্যই কয়, যে সকলোৱে অসমক দেশৰ শ্ৰেষ্ঠ ৰাজ্যসমূহৰ অন্যতম ৰূপে গঢ়ি তোলাত গুৰুত্ব আৰোপ কৰা উচিত। ৰাজ্যপাল গৰাকীয়ে আন এখন বৈঠকত কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদৰ অধীনত এলেকাসমূহত ৰূপায়িত ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন উদ্যমৰ স্থিতিৰ বুজ লয়।

০০০০০

কেন্দ্ৰীয় চৰকাৰে বান আৰু ভূমিস্খলন প্ৰভাৱিত অসম, মেঘালয়, মণিপুৰ, মিজোৰাম, কেৰালা আৰু উত্তৰাখণ্ডৰ বাবে এহেজাৰ ৬৬ কোটিৰো অধিক টকা মোকলাই দিয়াৰ প্ৰস্তাৱত অনুমোদন জনাইছে। গৃহমন্ত্ৰালয়ে প্ৰকাশ কৰা মতে অসমৰ বাবে ৩৭৫ কোটি, মণিপুৰৰ বাবে ২৯ কোটি, মেঘালয়ৰ বাবে ৩০ কোটি, মিজোৰামৰ বাবে ২২ কোটি, কেৰালাৰ বাবে ১৫৩ কোটি আৰু উত্তৰাখণ্ডৰ বাবে ৪৫৫ কোটিৰো অধিক টকাত অনুমোদন জনোৱা হৈছে।

এই ৰাজ্যকেইখন দক্ষিণ-পশ্চিম মৌচুমী বতাহৰ প্ৰভাৱত হোৱা ধাৰাষাৰ বৰষুণ, বান আৰু ভূমিস্খলনত বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। মন্ত্ৰালয়ে কৈছে, যে বান, ভূমিস্খলন আৰু ডাৱৰ বিস্ফোৰণ প্ৰভাৱিত ৰাজ্যসমূহলৈ সম্ভাব্য সকলো ধৰণৰ সহায় আগবঢ়াবলৈ কেন্দ্ৰীয় চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। চলিতবৰ্ষত কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে ৰাজ্যিক দুৰ্যোগ সঁহাৰি পুঁজিৰ পৰা ১৪ খন ৰাজ্যলৈ ছহেজাৰ ১৬৬ কোটিৰো অধিক টকা আৰু ৰাষ্ট্ৰীয় দুৰ্যোগ প্ৰশমন পুঁজিৰ পৰা ১২ খন ৰাজ্যলৈ এহেজাৰ ৯৮৮ কোটিৰো অধিক টকা মোকলাই দিছে। ইয়াৰ উপৰি ৰাজ্যিক দুৰ্যোগ প্ৰশমন পুঁজিৰ পৰা পাঁচখন ৰাজ্যলৈ ৭২৬ কোটিৰো অধিক টকা মোকলাই দিয়া হৈছে।

০০০০০

চিদলী আইডিয়া ক্লাবে চিৰাং জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত কাজলগাঁওস্থিত শালঝৰা খেলপথাৰত অনুষ্ঠিত চাৰন্থাই নাৰ্জাৰী এ ডিভিজন ফুটবল লীগৰ খিতাপ অৰ্জন কৰিছে। চিদলী আইডিয়া ক্লাবে আজি ফাইনেলত শান্তিপুৰ ৰংজালী ক্লাবক ট্ৰাইবেকাৰৰ সহায়ত ৩-২ গলত পৰাস্ত কৰে। নিৰ্ধাৰিত সময়ত খেলখন গ'ল শূন্যভাৱে সমাপ্ত হোৱাত ট্ৰাইবেকাৰৰ সহায় ল'বলগীয়া হয়।

০০০০০

সমাপ্ত